গোচৰ নং:

২০০৮ চনৰ আপীল (দেৱানী)নং ৭৬৮

আবেদনকাৰী:

হৰি প্ৰসাদ ভূঁঞা

উত্তৰদাতা:

দুৰ্গা প্ৰসাদ ভূঁঞা আৰু অন্যান্য

ৰায়দানৰ তাৰিখ: ২৯/০১/২০০৮

মহামান্য ন্যায়াধীশ ড. অৰিজিত পাচায়ত আৰু মহামান্য ন্যায়াধীশ দি. কে. জৈনৰ খণ্ড বিচাৰপীঠ

ৰায়দান:

(২০০৬ চনৰ এছ. এল. পি (চি) নং ৮৮৭০ৰ পৰা উদ্ভৱ হোৱা)

মহামান্য ন্যায়াধীশ ড. অৰিজিত পাচায়ত,

১)অনুমতি প্ৰদান কৰা হ'ল-

২) এই আপীলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ এক আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে। যিয়ে দ্বিতীয় আপীল নং ৮০/১৯৮৬ ত আপীলকাৰীয়ে গোচৰটো খাৰিজ কৰণ বাতিল কৰিবলৈ, ১৩ আৰু ২৪ নং মৃত উত্তৰদাতাৰ ঠাইত তেওঁলোকৰ উত্তৰাধিকাৰীৰ দিবলৈ আৰু এই অনুৰোধসমূহ দাখিল কৰাত পলম হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে কৰা আবেদনসমূহ খাৰিজ কৰিছিল। এই বুলি মতপোষণ কৰা হয় যে আপীলৰ ম্যাদ উকলি গৈছে, আৰু উচ্চ ন্যায়ালয়ে দ্বিতীয় আপীল নং ৮০/১৯৮৬ ত ১৯৯৫ চনৰ ১৮ মে' তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশ কাৰ্যকৰী নহয়। সেয়েহে, ১৯০৮ চনৰ দেৱানী কাৰ্যবিধি আইনৰ (চমুকৈ চি.পি.চি) ১৫২ নং ধাৰাত আবেদন কৰিবলৈ অনুমতি দিয়া নহ'ল।

৩)গোচৰটোৰ মূল তথ্যসমূহৰ চমু সাৰাংশ তলত দিয়া ধৰণৰঃ

আপীলকাৰীৰ পূৰ্বসূৰীয়ে ১ নং সহকাৰী জিলা ন্যায়াধীশ, গুৱাহাটীৰ আদালতত স্বত্ব গোচৰ নং ২৬/১৯৭৮ দাখিল কৰে। উক্ত গোচৰ দখল মুক্ত কৰা, দখল নিশ্চিত কৰা, সম্পত্তিসমূহৰ ওপৰত স্বত্ব ঘোষণা কৰা আৰু কিছু বিবাদীৰ নামত কৰা নামজাৰী বাতিল কৰাৰ বাবে দাখিল কৰা হয়। আপীলকাৰীৰ মতে, উক্ত গোচৰত প্ৰতিজন বিবাদীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কাৰণ বিশেষভাৱে উল্লেখ কৰা হৈছে আৰু গোচৰৰ প্ৰাৰ্থনাসমূহো বিবাদীৰ বিৰুদ্ধে সম্পত্তিসমূহৰ ওপৰত তেওঁলোকৰ মালিকীস্বত্বৰ সন্দৰ্ভত বিশেষভাৱে নিৰ্দেশিত কৰা হৈছে। ১১.১.১৯৮৪ তাৰিখৰ ৰায়দানৰ জৰিয়তে বিচাৰ আদালতে এই গোচৰ খাৰিজ কৰে। আপীল নং ৫/১৯৮৪ দাখিল কৰা হৈছিল আৰু ১৯৮৬ চনৰ ৩০ জানুৱাৰীত জিলা ন্যায়াধীশ, গুৱাহাটীয়ে খাৰিজ কৰে। তাৰ পিছত বাদীসকলে গুৱাহাটী উচ্চ ন্যায়ালয়ত দ্বিতীয় আপীল নং ৮০/১৯৮৬ দাখিল কৰে।গোচৰটো চলি থকাৰ সময়তে কিছু বাদীৰ মৃত্যু হয়, আৰু তেওঁলোকৰ আইনী উত্তৰাধিকাৰীসকলক গোচৰটোত অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পিছতে গৌহাটী উচ্চ ন্যায়ালয়ে দ্বিতীয় আপীল মঞ্জুৰ কৰি বাদীসকলৰ সপক্ষে ৰায় দিয়ে। বাদীসকলে বিচাৰ আদালতত Title Execution Case No. 4 of 1995 দাখিল কৰে। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বিচাৰ আদালতে ১৯৯৬ চনৰ ৭ এপ্ৰিলত ডিক্ৰী জাৰী কৰিছিল যদিও ভুলক্ৰমে কেৱল খৰচ অন্তৰ্ভুক্ত কৰা হৈছিল আৰু গোচৰত প্ৰদান কৰা সকাহ অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। ১৯৯৫ চনৰ ১৮ আগষ্ট তাৰিখে উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে উত্তৰদাতা সকলে দাখিল কৰা বিশেষ অনুমতি প্ৰাপ্তিৰ আবেদন (S.L.P. CC No. 2275/96)খন ১৯৯৬ চনৰ ৮ মে' তাৰিখে তলত দিয়া পৰ্যবেক্ষণৰ সৈতে খাৰিজ কৰা হয়:

আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই কয় যে উচ্চ ন্যায়ালয়ক এই আদেশ পুনৰীক্ষণ কৰিবলৈ অনুৰোধ কৰিবলৈ আবেদনকাৰীসকলক পৰামৰ্শ দিয়া হৈছিল আৰু বিশেষ অনুমতি প্ৰাপ্তিৰ আবেদন খন প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। আমি বিজ্ঞ অধিবক্তাই দিয়া বক্তব্য লিপিবদ্ধ কৰি বিশেষ অনুমতি প্ৰাপ্তিৰ আবেদনখন প্ৰত্যাহাৰ কৰা বুলি খাৰিজ কৰোঁ।

আপীলকাৰীসকলে দাখিল কৰা Execution Petition ৰ দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ৪৭ ৰ অধীনত মৃত উততৰদাতা নং ৭ ৰ উত্তৰাধিকাৰীসকলে আপত্তি উত্থাপন কৰিছিল। বিচাৰ আদালতে এক আদেশৰ জৰিয়তে উল্লেখিত আবেদন নিষ্পত্তি কৰে আৰু তলত উল্লেখ কৰা ধৰণে লক্ষ্য কৰে–

ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি মই বিশ্বাস কৰোঁ যে তপছিল–ই ত তালিকাভুক্ত সম্পত্তিৰ বাবে ডিক্ৰীটো বাতিল হোৱাৰ বাবে কাৰ্যকৰী কৰিব নোৱাৰি। কিন্তু তপছিল–ইত উল্লেখ কৰা সম্পত্তিৰ বাহিৰে আৰ্জিত উল্লেখ কৰা অন্যান্য সম্পত্তিৰ বাবে আৰু অন্যান্য আবেদনকাৰী–দেনদাৰৰ বিৰুদ্ধে এই ডিক্ৰী বলবৎ কৰিব পাৰি।এই আদেশৰ জৰিয়তে আবেদনখন নিষ্পত্তি কৰা হয়। ডিক্ৰী কাৰ্যকৰী কৰাৰ বাবে পদক্ষেপ লোৱা হওক।১৯৯৭ চনৰ ২৬ আগষ্টত বিচাৰ আদালতে কাৰ্য্যবিধি প্ৰক্ৰিয়াত দুটা পৃথক আদেশ জাৰি কৰি কয় যে এই ডিক্ৰীত দাবী কৰা সকলো সকাহ অন্তৰ্ভুক্ত কৰিব লাগিছিল আৰু সেই অনুসৰি শুধৰণি কৰিবলৈ নিৰ্দেশ দিছিল।১৯৯৭ চনৰ ১৭ নৱেম্বৰত, ১৯৯৭ চনৰ ২৬ আগষ্টৰ আদেশ অনুসৰি এই ডিক্ৰী সংশোধন কৰা হয়। উত্তৰদাতা নং ৬, লক্ষ্মী ৰাম ভূঁঞাই ১৯৯৭ চনৰ ২৬ আগষ্টৰ আদেশ আৰু ১৯৯৭ চনৰ ১৭ নৱেম্বৰৰ সংশোধিত ডিক্ৰীক প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দেৱানী পুনৰীক্ষণ (চি আৰ নং ৪২৩/১৯৯৭)আবেদন দাখিল কৰে। ২৯.৯.১৯৯৯ তাৰিখৰ আদেশ অনুসৰি উচ্চ ন্যায়ালয়ে দেৱানী পুনৰীক্ষণ আবেদনখন খাৰিজ কৰে।১৯৯৯ চনৰ ২৯ ছেপ্টেম্বৰৰ উচ্চ ন্যায়ালয়ৰ আদেশ পুনৰীক্ষণৰ বাবে RP No. 6 of 2000 দাখিল কৰা হৈছিল।২০০১ চনৰ ১০ এপ্ৰিলৰ এই আদেশৰ বিৰুদ্ধে বিশেষ অনুমতি প্ৰাপ্তিৰ এক আবেদন দাখিল কৰা হৈছিল, যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ আবেদন নাকচ কৰিছিল। ২০০২ চনৰ ২০ নৱেম্বৰত আদালতে আপীলকাৰীসকলক চি.পি.চি ৰ ধাৰা ১৫২ অনুসৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপি ডিক্ৰীত উপযুক্ত সংশোধন কৰাৰ স্বাধীনতা প্ৰদান কৰে। লক্ষ্মী ৰাম ভূঁঞা বনাম হৰি প্ৰসাদ ভূঁঞা আৰু অন্যান্য (২০০৩ (১) এছ.চি.চি ১৯৭)গোচৰত ৰায়দানটো পোৱা যায়। ইয়াক অন্যান্য বিষয়ৰ লগতে তলত দিয়া ধৰণে লক্ষ্য কৰা হৈছিল:

১১)এই দায়িত্ব কেবল বিচাৰ আদালতৰে নহয় আপীল আদালতৰো ।যদিহে গোচৰটোত বিচাৰ আদালতে ডিক্ৰী কৰে আৰু আপীল আদালতে এই ৰায়দানত হস্তক্ষেপ

কৰে, তেন্তে আপীল আদালতৰ ৰায়দানত প্ৰদান কৰা সকাহ আৰু মূল ডিক্ৰীত কৰা যিকোনো পৰিৱৰ্তনৰ বিষয়ে স্পষ্টভাৱে, বিশেষভাৱে আৰু বিশদভাৱে উল্লেখ কৰিব লাগিব। দেৱানী কাৰ্যবিধি আইনৰ আদেশ ৪০ নিয়ম ৩১ এ আপীল ৰায়দানৰ লেখকৰ ওপৰত নিৰ্ণয়ৰ বিষয় আৰু বিষয়সমূহৰ ওপৰত লোৱা সিদ্ধান্ত, সিদ্ধান্তৰ কাৰণ আৰু যেতিয়া আপীল কৰা ডিক্ৰীটো বাতিল কৰা হয় বা বেলেগ হয়, তেতিয়া আবেদনকাৰীৰ অধিকাৰযুক্ত সকাহৰ বিষয়ে স্পষ্টভাৱে উল্লেখ কৰাৰ দায়িত্ব অৰ্পন কৰে। যদি বিচাৰ আদালতে গোচৰটো খাৰিজ কৰে আৰু আপীল আদালতে সেই সিদ্ধান্ত বাতিল কৰে, তেন্তে আপীল আদালতৰ ৰায় ইমান স্পষ্ট আৰু বিশদ হ'ব লাগে যেন বিচাৰ আদালতে গোচৰটোৰ সপক্ষে ৰায় দিছে। এই স্পষ্টতাই নিশ্চিত কৰে যে আপীল আদালতৰ সিদ্ধান্তৰ ভিত্তিত এটা সম্পূৰ্ণ আৰু সঠিক ডিক্ৰী সৃষ্টি কৰিব পৰা যায়। গোচৰটোৰ মূল পক্ষ হিচাপে বাদীয়ে সকাহৰ দফাটো নিজৰ ইচ্ছামতে লিখাৰ স্বাধীনতা আছে। এই স্বাধীনতাৰ সম্পূৰ্ণ সুবিধা বাদীয়ে লোৱা বহু দৃষ্টান্ত আছে। আদালতৰ দায়িত্ব হৈছে গোচৰটো  ডিক্ৰী কৰি, সকাহসমূহ পৰীক্ষা কৰা আৰু তাৰ পিছত ৰায়দানৰ কাৰ্য্যকৰী অংশটো এনেদৰে নিৰ্মাণ কৰা যাতে প্ৰদান কৰা সকাহসমূহ বিভিন্ন বিষয়ত লাভ কৰা স্বীকৃতিপ্ৰাপ্ত তথ্যৰ সৈতে মিল খায়। যদি বিচাৰ আদালতে ৰায়দানৰ কাৰ্য্যকৰী অংশত কেৱল নিৰ্ণয় কৰে যে গোচৰটোৰ ডিক্ৰী কৰা হৈছে, বা সফল পক্ষক দিয়া সকাহৰ বিষয়ে উল্লেখ নকৰাকৈ কোনো আপীল আদালতে কেৱল কয় যে আপীল মঞ্জুৰ কৰা  হৈছে, তেন্তে ইয়াৰ অৰ্থ হ'ল আদালতে দেৱানী কাৰ্যবিধি আইন অনুসৰি দায়িত্ব পালন কৰা নাই। ৰায়দানত নিৰ্দিষ্ট সকাহ বা কাৰ্য্যৰ স্পষ্ট ৰূপৰেখা দাঙি ধৰিব লাগিব। যদি বিচাৰ আদালতে কেৱল ৰায়দানৰ কাৰ্য্যকৰী অংশত পৰ্যবেক্ষণ কৰি নিৰ্ণয় কৰে যে গোচৰটো নিৰ্ধাৰণ কৰা হৈছে বা সফল পক্ষক দিয়া সকাহৰ বিষয়ে উল্লেখ নকৰাকৈ কোনো আপীল আদালতে কেৱল কয় যে আপীল মঞ্জুৰ কৰা হৈছে,  তেন্তে ইয়াৰ অৰ্থ হ'ল ন্যায়াধীশৰ ওপৰত দিয়া দায়বদ্ধতা পালন কৰাত ৰায়দানৰ লেখক বিফল হৈছে আৰু দেৱানী কাৰ্যবিধি আইন অনুসৰি দায়িত্ব পালন কৰা নাই।

১২) এই গোচৰত, আৰ্জিত অনুৰোধ কৰা সকাহসমূহ চালে দেখা যায় যে সেইবোৰ ভালদৰে শব্দৰে বা স্পষ্টভাৱে প্ৰকাশ কৰা হোৱা নাই। যদিও প্ৰাৰ্থনা কৰা হৈছে,

কিছুমান সকাহ প্ৰয়োজনীয় বা প্ৰাসংগিক নহ'বও পাৰে। সকাহবোৰ অধিক নিখুঁত আৰু নিৰ্দিষ্ট কৰিবলৈ পুনৰ গঠন বা পুনৰ সংজ্ঞায়িত কৰিব পৰা গ'লহেঁতেন। হয়তো, আদালতে আন কিছু সকাহ দিয়াৰ উদ্দেশ্য আছিল যাতে বিতৰ্কটোৰ ওপৰত ফলপ্ৰসূভাৱে বিচাৰ কৰি ইয়াৰ অন্ত পেলাব পাৰে। হয়তো আদালতৰ বিষয়টো ফলপ্ৰসূভাৱে সমাধান কৰি গোচৰটোৰ সিদ্ধান্তত উপনীত হ'বলৈ বিভিন্ন সকাহ প্ৰদান কৰাৰ উদ্দেশ্য আছিল। কিন্তু আপীল ৰায়দানত এই সন্দৰ্ভত সবিশেষ উল্লেখ কৰা হোৱা নাই। দ্বিতীয়টো আপীল ৰায়ৰ ভিত্তিত এই ডিক্ৰী প্ৰস্তুত কৰাৰ দায়িত্বত থকা বিচাৰ আদালতখনো স্পষ্ট নাছিল। সিদ্ধান্ত লোৱা হৈছিল যে অভিযোগত অনুৰোধ কৰা সকলো সকাহ বাদীসকলক প্ৰদান কৰা হৈছে। দ্বিতীয় আপীলৰ অনুমতি দিয়া বিদ্বান একক ন্যায়াধীশ গৰাকীয়ে আপীলৰ ৰায়দানৰ পৰা পোৱা তথ্যৰ ভিত্তিত বাদীসকলে লাভ কৰিবলগীয়া নিৰ্দিষ্ট সকাহৰ বিষয়ে স্পষ্ট আৰু নিখুঁতভাৱে উল্লেখ কৰিব লাগিছিল। ন্যায়াধীশে বাদীসকলে পাবলগীয়া সকাহৰ বিষয়ে স্পষ্টভাৱে উল্লেখ নকৰাকৈ পক্ষসমূহ, ডিক্ৰীখনৰ খচৰা প্ৰস্তুত কৰা ব্যক্তি, আৰু কাৰ্য্যকৰী কৰা আদালতে গোচৰটোৰ ডিক্ৰী নিৰ্ধাৰণ কৰোতে বা আপীল মঞ্জুৰ কৰোতে ন্যায়াধীশে কি বিচাৰিছিল অনুমান কৰিবলৈ এৰি দিয়া উচিত নহয়।

আন এটা বিষয় হৈছে: সাধাৰণতে উচ্চ ন্যায়ালয়ে নিজেই ডিক্ৰীটো প্ৰস্তুত কৰিব লাগিছিল। কোনো পক্ষৰ বিজ্ঞ অধিবক্তাই এই কথা ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰা নাই যে উচ্চ ন্যায়ালয়ৰ দ্বাৰা প্ৰস্তুত কৰা এনে কোনো নিয়ম আছে যে বিচাৰ আদালতক উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সৈতে সংগতি ৰাখি এখন ডিক্ৰী প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

১৪) এই সাঁথৰটো কেনেকৈ সমাধান কৰা যায়? আমাৰ দৃষ্টিত সফল পক্ষই দেৱানী কাৰ্যবিধি আইনৰ ১৫২ ধাৰা ব্যৱহাৰ কৰিব লাগিব। এই ধাৰাত ৰায়দান, ডিক্ৰী বা আদেশত বানান ও অন্যান্য ক্ৰুটী বা গাণিতিক ভুল, বা আকস্মিকভাৱে স্লিপ বা বাদ দিয়াৰ ফলত হোৱা ভুল সংশোধনৰ অনুমতি দিয়া হৈছে। এই সংশোধনসমূহ ন্যায়ালয়ে যিকোনো সময়তে, নিজা উদ্যোগত বা কোনো পক্ষৰ অনুৰোধত কৰিব পাৰে। উচ্চ ন্যায়ালয়ৰ ৰায়দান পঢ়ি জনা যায় যে বাদীসকলক এই গোচৰত সফল হোৱা বুলি পোৱা বুলি তেওঁলোকে মতপোষণ কৰিছিল। কিন্তু, বাদীসকলে তেওঁলোকৰ সফলতাৰ

ফলত লাভ কৰিবলগীয়া নিৰ্দিষ্ট সকাহসমূহ স্পষ্টভাৱে উল্লেখ কৰাত আকস্মিক ভুল কৰিছিল বা বাদ পৰা গৈছিল। ১৫২ নং ধাৰাত আদালতে নিজৰ ৰায়দান সংশোধন কৰি নিজৰ প্ৰকৃত অৰ্থ আৰু উদ্দেশ্য সঠিকভাৱে প্ৰতিফলিত কৰিবলৈ অনুমতি দিয়ে। Lord Justice Bowen এ ছোৱাইৰ, ৰে, মেলৰ বনাম ছোৱাইৰ গোচৰত (Swire, Re, Mellor v. Swire, by Bowen, L.J.) আদালতে নিজৰ মূল উদ্দেশ্য পালন কৰিবলৈ নিজৰ আদেশ সংশোধন কৰাৰ ক্ষমতা আৰু আদেশ দিয়াৰ সময়ত ইয়াৰ অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা সমৰ্থন কৰিছিল। এই সংশোধনী অন্যায় নকৰাকৈ, বা কোনো অন্যায় ৰোধ কৰা চৰ্তত কৰিব পাৰি।

Lord Justice Lindley য়ে লক্ষ্য কৰিছিল যে যদি আদালতৰ লিখিত আদেশে আদালতৰ সিদ্ধান্তক প্ৰতিফলিত নকৰে, তেন্তে আদালতৰ নিজৰ ৰেকৰ্ড শুধৰণি কৰাৰ কৰ্তৃত্ব আছে। তেওঁৰ মতে, লিখিত আদেশ ভুল হোৱাৰ বাবেই কোনো ক্ষতিগ্ৰস্ত পক্ষক হাউছ অৱ লৰ্ডছৰ দৰে উচ্চ ন্যায়ালয়ত আবেদন কৰিবলৈ বাধ্য কৰাটো অযুক্তিকৰ হ'ব। কিন্তু আপীলৰ জৰিয়তে হাউছ অৱ লৰ্ডছলৈ যাব লাগিব।

১৫) উপৰুক্ত কাৰণসমূহৰ বাবে আবেদনৰ অনুমতি দিয়া হৈছে। ডিক্ৰী জাৰী কৰা বিচাৰ আদালতৰ আদেশ বাতিল কৰা হয়।উচ্চ ন্যায়ালয়ৰ ৰায়দানত উপযুক্ত শুধৰণিৰ বাবে দেৱানী কাৰ্যবিধি আইনৰ ১৫২ নং ধাৰাত উচ্চ ন্যায়ালয়লৈ যোৱাৰ স্বাধীনতা পক্ষসমূহক দিয়া হৈছে। এই শুধৰণিৰ লক্ষ্য হৈছে উচ্চ ন্যায়ালয়ৰ মতামতত সফল পক্ষই লাভ কৰা সকাহৰ পৰিসৰ আৰু ধৰণ স্পষ্টভাৱে উল্লেখ কৰা, যিটো ৰায়দানত প্ৰকাশ কৰা উদ্দেশ্যৰ সৈতে সামঞ্জস্যপূৰ্ণ। যিটো পলমৰ কাৰণ হ'ব, তাৰ বাবে অনুশোচনা কৰিব লাগিব যদিও ই অনিবাৰ্য। ৰায়দানৰ কাৰ্য্যকৰী অংশটো শুধৰণি হ'লে ৰায়ৰ কাৰ্য্যকৰী অংশৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে উচ্চ ন্যায়ালয়ে নিজেই ডিক্ৰী তৈয়াৰ কৰাত কোনো অসুবিধা নহ'ব। যদি উচ্চ ন্যায়ালয়ৰ নিয়মে দাবী কৰে তেন্তে আনুষ্ঠানিকভাৱে এই ডিক্ৰীৰ কাম উচ্চ ন্যায়ালয়ৰ পৰিৱৰ্তে বিচাৰ আদালতক অৰ্পণ কৰিব পাৰি।

৪) সেই অনুসৰি উচ্চ ন্যায়ালয়ত দেৱানী কাৰ্যবিধি আইনৰ ১৫২ নং ধাৰাৰ অধীনত আবেদন দাখিল কৰা হয়। আপীলকাৰীৰ মতে, ২০০৩ চনৰ ২৬ জুনত

আপীলকাৰীয়ে জানিব পাৰিলে যে ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহত ১৩ নম্বৰ উত্তৰদাতাৰ মৃত্যু হৈছে আৰু ১৯৯৩ চনত ২৪ নম্বৰ উত্তৰদাতাৰ মৃত্যু হৈছে।২০০৩ চনৰ ২৬ জুনত প্ৰচেছ চাৰ্ভাৰে প্ৰদান কৰা প্ৰতিবেদনৰ পৰা আপীলকাৰীয়ে ১৩ আৰু ২৪ নম্বৰৰ উত্তৰদাতাৰ মৃত্যুৰ বিষয়ে জানিব পাৰিছিল।২০০৩ চনৰ ২ আগষ্টত আপীলকাৰীয়ে গোচৰটো খাৰিজ কৰণ বাতিল কৰিবলৈ, মৃত প্ৰতিবাদকাৰীসকলৰ ঠাইত নতুন পক্ষ দিবলৈ আৰু এই অনুৰোধসমূহ দাখিল কৰাত পলম হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে এক আবেদন দাখিল কৰে।বিতৰ্কিত আদেশৰ জৰিয়তে বিদ্বান একক ন্যায়াধীশগৰাকীয়ে দেৱানী কাৰ্যবিধি আইনৰ ১৫২ নং ধাৰাৰ অধীনত আবেদনখনৰ সৈতে মোকাবিলা কৰাৰ সময়তে ১৩ আৰু ২৪ নম্বৰৰ প্ৰতিবাদীৰ মৃত্যু আৰু তেওঁলোকৰ আইনী উত্তৰাধিকাৰীসকলক ৰেকৰ্ডত পলমকৈ অনাৰ বাবে ডিক্ৰীটোক বাতিল বুলি ঘোষণা কৰে।

৫)আপীলকাৰীৰ বিজ্ঞ অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰিছিল যে উচ্চ ন্যায়ালয়ে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰক উপেক্ষা কৰিছিল। প্ৰথমতে, লক্ষ্মী ৰাম ভূঁঞাৰ গোচৰত সিদ্ধান্ত লোৱা পূৰ্বৰ গোচৰত (উপৰোক্ত)উত্তৰদাতাসকলে ১৩ আৰু ২৪ নং উত্তৰদাতাৰ মৃত্যুৰ কথা উল্লেখ কৰা নাছিল। এই ন্যায়ালয়ৰ সন্মুখত কৰা আপীলত, বৰ্তমানৰ উত্তৰদাতাসকল আছিল আপীলকাৰী। মৃত্যুৰ কথা তেওঁলোকেও উল্লেখ কৰা নাই। এই ন্যায়ালয়ৰ ৰায়ৰ সৈতে মিল থকা কোনো চৰকাৰী ন্যায়ালয়ৰ আদেশ জাৰী কৰা হোৱা নাছিল।

৬)১৩ আৰু ২৪ নং উত্তৰদাতাৰ মৃত্যুৰ বিষয়ে তেওঁ প্ৰচেছ চাৰ্ভাৰৰ প্ৰতিবেদনৰ পৰা জানিব পাৰিছিল বুলি আপীলকাৰীয়ে কৰা দাবীৰ সন্দৰ্ভত কোনো বিতৰ্ক হোৱা নাই।এই ন্যায়ালয়টো উত্তৰদাতাসকলে ১৩ আৰু ২৪ নং উত্তৰদাতাৰ মৃত্যুৰ কথা প্ৰকাশ কৰা নাছিল। যিহেতু তেওঁলোকে প্ৰকাশ নকৰিলে, সেয়েহে তেওঁলোকে আপীলকাৰীয়ে পলমকৈ কৰা কাৰ্য্যৰ পৰা লাভৱান হ'ব নোৱাৰে।আমাৰ মতে এইটো এটা স্পষ্ট গোচৰ, য'ত মৃত উত্তৰদাতাৰ ঠাইত তেওঁলোকৰ উত্তৰাধিকাৰী দিবলৈ আৰু এই অনুৰোধসমূহ দাখিল কৰাত পলম হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে কৰা আবেদন মঞ্জুৰ কৰিব লাগিছিল।উচ্চ ন্যায়ালয়ৰ আদেশ বাতিল কৰা হ'ল। আপীল মঞ্জুৰ কৰা হ'ল। খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাই।

------------------------------------------------------------------------------------------------------------

অনুবাদ–কংকনা  বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী  উচ্চ  ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"